ভাৰতক যুদ্ধত হাত আগবঢ়াবলৈ অনুৰোধ কৰে। সেই মৰ্মে জুনৰ 1তাৰিখে গান্ধীয়ে দুটা চৰ্তত কৰিবলৈ আগবাঢ়ে। সেইকেইটা হৈছে —

- স্বাধীনতাক লক্ষ্য হিচাপে ঘোষণা কৰা হয়।
- বিভিন্ন ৰাজনৈতিক দলসমূহ এক গোট হৈ এখন প্ৰাদেশিক চৰকাৰ গঠন কৰা।

1940 চনত সকলো দলৰ লগত আলোচনা কৰি ভাইচৰয় লৰ্ড লিনথিগোৱে এখন বিবৃতি জাৰী কৰে আৰু সেইখনেই হৈছে আগষ্ট প্ৰস্তাৱ তলত তাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা হৈছে —

1¼ আগষ্ট প্ৰস্তাৱৰ জৰিয়তে যুদ্ধৰ সমাপ্তিৰ পিছত ডমিনিয়েনৰ আৰ্হিৰে এখন পূৰ্ণপৰ্যায়ৰ দায়িত্বশীল চৰকাৰ প্ৰতিষ্ঠা কৰাৰ প্ৰতিশ্ৰুতি আগবঢ়োৱা হয়।

2¼ এখন নতুন সংবিধান প্ৰণয়নৰ বাবে এখন প্ৰতিনিধত্বমূলক সভা গঠন কৰা।

3¼ মুছলীম লীগে বিৰোধিতা কৰা কোনো ধৰণৰ সংবিধান ভাৰতৰ বাবে গ্ৰহণ নকৰা বুলি মুছলীম লীগক প্ৰতিশ্ৰুতি প্ৰদান কৰে।

4¼ যুদ্ধৰ সময়ছোৱাৰ বাবে ভাইচৰয়ে এখন অন্তবৰ্তীকালীন আয়োগ গঠন কৰিব। উল্লেখনীয় যে এই আয়োগখনত যোগ দিয়াৰ বাবে কেইগৰাকীমান ভাৰতীয় লোককো আমন্ত্ৰণ জনোৱা হয়।

উল্লেখনীয় যে ভাৰতীয় জীতীয় কংগ্ৰেছে আগষ্ট প্ৰস্তাৱ ভৰিষ্যৎ দিনবোৰত ৰেহাইৰ কিছুমান ঘোষণা বুলি আগষ্ট প্ৰস্তাৱ নাকচ কৰে। ভাৰতীয় সকল যে বৃটিছক যুদ্ধত সহায় কৰিবৰ বাবে একেবাৰে আগ্ৰহী নহয় সেই কথা নিশ্চয় কৈ বুজাই দিবৰ বাবে গান্ধীয়ে ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ কৰে।

১৩.৪ ভাৰত ত্যাগ আন্দোলন

দ্বিতীয় বিশ্বযুদ্ধই ভাৰতীয় ৰাজনীতিৰ দৃশ্যপট সলাই পেলাইছিল। এই সন্ধিক্ষণত ভাৰতলৈ ক্ৰিপছ্ মিছন পঠিওৱা হৈছিল। ক্ৰিপছ্ মিছনে স্বাধীনতাৰ প্ৰতিশ্ৰুতি দিব পৰা নাছিল আৰু সেইবাবেই বিফল হৈছিল। ক্ৰিপছ্ মিছনৰ বিফলতাই ভাৰতবৰ্ষৰ ৰাজনীতিক উত্তাল কৰি তুলিছিল। গান্ধীয়ে মুকলিভাৱে ঘোষণা কৰিছিল যে ব্ৰিটেইন আৰু ভাৰতৰ মাজত কোনো বন্ধুত্বপূৰ্ণ বুজাবুজি হ'ব নোৱাৰে। 1942 চনৰ এপ্ৰিল মাহত তেওঁ ব্ৰিটিছক তাৎক্ষণিকভাৱে ভাৰত ত্যাগ কৰিবলৈ দাবী জনাইছিল।

সৰ্বভাৰতীয় কংগ্ৰেছ কমিটিয়ে 1942 চনৰ 8 আগষ্টত বোম্বাই অধিবেশণত 'ভাৰত ত্যাগ' অৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। মহাত্মা গান্ধী সৰ্বভাৰতীয় পৰ্যায়ত এক গণ আন্দোলন গঢ়াৰ পক্ষপাতী আছিল। অৱশ্যে কংগ্ৰেছ নেতৃত্বক এই প্ৰস্তাৱটিক বাস্তৱায়িত কৰিবলৈ সময় দিয়া নহ'ল কাৰণ পিছদিনাখনেই (9 আগষ্ট) আন নেতা সমন্বিতে গান্ধীক গ্ৰেপ্তাৰ কৰা হ'ল। গান্ধীৰ 'কৰিম বা মৰিম' - এই বাণীৰদ্বৰা অনুপ্ৰাণিত হৈ হাজাৰ হাজাৰ লোকে ভাৰত ত্যাগ আন্দোলনত যোগদান কৰিছিল। ব্ৰিটিছৰ নিষ্ঠুৰ দমনৰ ফলশ্ৰুতিত এই আন্দোলনে উগ্ৰমূৰ্তি



ক্ৰিপ্‌ছ মিছনঃ 1942 চনৰ মাৰ্চ মাহত বৃটিছ যুদ্ধ পৰিষদে চাৰ ষ্টাফোৰ্ড ক্ৰিপ্‌ছক সংবিধান সংশোধনৰ কিছু প্ৰস্তাবৰ সৈতে ভাৰতলৈ পঠাইছিল। অৱশ্যে ভাৰতীয়সকলে ইয়াক গ্ৰহণ কৰা নাছিল আৰু ক্ৰিপ্‌ছ মিছন বিফল হৈছিল।

ওপৰত আঘাট হানিবলৈ ইয়াক এক সুবর্ণ সুযোগ বুলি ভাবিছিল। ভাৰতীয় প্ৰতিৰক্ষা নিয়মৰ অধীনত 1940 চনৰ জুলাই মাহত তেওঁক ভাৰত চৰকাৰে গ্ৰেপ্তাৰ কৰিছিল। 1941 চনত তেওঁ ভাৰতবর্ষৰ পৰা পেচৰাৰ আৰু ৰাছিয়া হৈ পলাই যায় আৰু জার্মানীৰ বার্লিন পায়হি। জার্মানীত থকা ভাৰতীয় সকলে তেওঁক তেওঁলোকৰ নেতাৰূপে (নেতাজী) সাদৰি লৈছিল আৰু 'জয় হিন্দ' ধ্বনিৰে সম্ভাষণ জনাইছিল। জাপানীসকলৰ সহযোগত ব্ৰিটিছৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম সংগঠিত কৰিবলৈ 1943 চনৰ ফেব্ৰুৱাৰী মাহত জাপান অভিমুখে গতি কৰে। ৰাস বিহাৰী বসুৰ নিচিনা এগৰাকী পুৰণি বিপ্লৱী জাতীয়তাবাদীৰ সহযোগত সুভাষ চন্দ্ৰ বসুৱে 'আজাদ হিন্দ ফৌজ অথবা ভাৰতীয় জাতীয় সেনানী (INA) ছিংগাপুৰত গঠন কৰে আৰু ইয়াক বিখ্যাত যুদ্ধ-ঘোষণা। 'দিল্লী চলো' ৰে আন্দোলিত কৰি তোলে।



জানি থোৱা ভাল

সুভাষ চন্দ্ৰ বসুৰ আগতে 'ভাৰতীয় জাতীয় সেনানী'ৰ পৰিকল্পনা কেপ্টেইন মোহন সিং নামৰ এগৰাকী ব্যক্তিয়ে কৰিছিল। তেওঁ ব্ৰিটিছ ইণ্ডিয়ান আর্মীৰ এগৰাকী বিষয়া আছিল।

সুভাষ চন্দ্ৰ বসুয়ে আই. এন. এ (INA)ৰ শীর্ষতম সেনাপতিৰ দায়িত্ব লৈছিল। দক্ষিণ পূব এছিয়াত থকা ভাৰতীয়সকলে আৰু জাপানী সেনাৰ দ্বাৰা মালয়, বার্মা আৰু ছিংগাপুৰত কৰায়ত্ব হোৱা ভাৰতীয় সেনা আৰু বিষয়াসকলক লৈ 'আজাদ হিন্দ্ ফৌজ' (আই. এন. এ) গঠিত হৈছিল। জাপানী সৈন্যৰ সহযোগত আই. এন. এৰ. ব্ৰিগেড ভাৰতীয় সীমালৈ অগ্ৰসৰ হৈছিল। 1944 চনৰ মার্চ মাহত নাগালেণ্ডৰ ক'হিমাত 'আজাদ হিন্দ্ ফৌজে' ভাৰতীয় পতাকা উত্তোলন কৰিছিল।

কিন্তু 1944–45 চনৰ ভিতৰত সমগ্ৰ বিশ্বৰ ৰাজনৈতিক দৃশ্যপট সলনি হ'ব ধৰে। দ্বিতীয় বিশ্বযুদ্ধত জাপান পৰাভূত হোৱাত আজাদ হিন্দ্ ফৌজেও পিছ হুহুকিবলৈ বাধ্য হ'ল। এক বিমান দুর্ঘটনাত সুভাষ চন্দ্ৰ বসুয়ে প্ৰাণ হেৰুৱালে বুলি খবৰ ওলাল। সুভাষ চন্দ্ৰ বসুৰ দেশপ্ৰেম আৰু ভাৰতীয় জাতীয় সেনানীৰ আদর্শই জনসাধাৰণক বহু পৰিমাণে প্ৰভাৱিত কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং 3ঃ 1939 চনত সুভাষ চন্দ্ৰ বসুয়ে গঠন কৰা দলটোৰ নাম কি আছিল?

.....

প্ৰশ্ন নং 4ঃ 1944 চনত ভাৰতৰ ক'ত আজাদ হিন্দ ফৌজে ভাৰতৰ পতাকা উৰুৱাই?

.....



দ্বিতীয় বিশ্ব যুদ্ধ ঃ দ্বিতীয় বিশ্ব যুদ্ধ 1939 চনত অৰম্ভ হৈছিল। কেন্দ্ৰীয় শক্তি (জার্মানী, ইটালি, জাপান)-য়ে এই যুদ্ধত মিত্ৰ শক্তি (বৃটেইন, ফ্ৰান্স, চোভিয়েট ৰাচিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ)-ৰ বিৰুদ্ধে অৱতীর্ণ হৈছিল।

চিত্ৰ ১৩.২ আজাদ হিন্দ্ ফৌজে ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰাৰ এটি মূহুর্ত



উৎস ঃ *গোগোল ইমেজ*



১৩.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 50 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ কংগ্ৰেছৰ কোনখন অধিৱেশনে ভাৰত ত্যাগ প্ৰস্তাৱ গ্ৰহণ কৰে?

প্ৰশ্ন ২ঃ ভাৰত ত্যাগ আন্দোলনৰ আন এটা নাম কি?

প্ৰশ্ন ৩ঃ ফ'ৰৱাৰ্ড ব্লক কোনে গঠন কৰে?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 150–300 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ভাৰত ত্যাগ আন্দোলন কিয় বিফল হয়?

প্ৰশ্ন ২ঃ ভাৰতীয় জাতীয় সেনা (INA)ৰ ওপৰত এটি চমুটোকা লিখক।

প্ৰশ্ন ৩ঃ ভাৰতীয়সকলে কিয় আগষ্ট প্ৰস্তাৱ নাকচ কৰিছিল?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ভাৰত ত্যাগ আন্দোলনৰ ওপৰত এটি আলোচনা কৰক।

প্ৰশ্ন ২ঃ ভাৰতৰ স্বাধীনতা সংগ্ৰামত সুভাষ চন্দ্ৰ বসুৰ ভূমিকাৰ পৰ্যালোচনা কৰক।

*** ***** ***